# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-09-2025
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ দেহাৱসানত সমগ্ৰ ৰাজ্য শোকস্তব্ধ। শিল্পীগৰাকীৰ নশ্বৰদেহ আজি ছিংগাপুৰৰ পৰা অসমলৈ অনাৰ সম্ভাৱনা।

২। ৰাজহুৱাভাৱে প্ৰিয় শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জনোৱাৰ বাবে তেওঁৰ নশ্বৰদেহ সৰুসজাইৰ ভোগেশ্বৰ বৰুৱা ষ্টেডিয়ামত ৰখা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিদ্যালয়সমূহত আজিৰে পৰা হ'বলগীয়া ছমহীয়া পৰীক্ষা পিছুৱাই দিয়াৰ সিদ্ধান্ত।

৪। বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান জুবিন গাৰ্গৰ মৃত্যুত স্থগিত।

*আৰু*

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা গ্ৰুপ-এৰ অন্তিমখন খেলত ওমানৰ বিৰুদ্ধে ভাৰতৰ ২১ ৰানত জয়লাভ।

০০০০০০০০

অসমৰ সংগীত জগতৰ উজ্বল নক্ষত্ৰ, অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ দেহাৱসানত সমগ্ৰ ৰাজ্য শোকস্তব্ধ হৈ পৰিছে।

*(মিউজিক ঃ মায়াবিনি ৰাতিৰ...)*

ছিংগাপুৰৰ সাগৰত সাঁতোৰাৰ সময়ত মৃত্যুক আঁকোৱালি লোৱা জনপ্ৰিয় শিল্পীগৰাকীৰ নশ্বৰদেহ আজি অসমলৈ অনাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ছিংগাপুৰত থকা ভাৰতৰ উচ্চায়ুক্তৰ সৈতে এই বিষয়ত সঘন যোগাযোগ ৰক্ষা কৰিছে। যোৱা নিশা শিল্পীগৰাকীৰ কাহিলিপাৰাস্থিত বাসগৃহত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে শোকাহত পৰিয়াল, আত্মীয় আৰু গুণমুগ্ধসকলক সমবেদনা জ্ঞাপন কৰে। ড° শৰ্মাই সাংবাদিকৰ আগত কয়, যে ৰাজহুৱাভাৱে প্ৰিয় শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জনোৱাৰ বাবে তেওঁৰ নশ্বৰদেহ সৰুসজাইৰ ভোগেশ্বৰ বৰুৱা ষ্টেডিয়ামত ৰখা হ'ব।

***বাইট (চি এম) - ১***

তেওঁ লগতে কয়, যে নশ্বৰদেহ অসমলৈ অনাৰ পাছতহে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান চূড়ান্ত কৰা হ'ব।

*বাইট (চি এম) - ২*

ইপিনে, জুবিন গাৰ্গৰ সৈতে সাগৰলৈ সাঁতুৰিবলৈ যোৱা অসম এছ'চিয়েছনৰ ১১ জন সদস্য আৰু জুবিনৰ দলৰ ৪ জন সদস্যক অসম আৰক্ষীয়ে সোধা-পোছা কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

*বাইট (চি এম) - ৩*

জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিদ্যালয়সমূহত ছমহীয়া পৰীক্ষাসূচী পিছুৱাই দিয়া হৈছে। শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া নোহোৱা পৰ্যন্ত পৰীক্ষা পিছুৱাই দিবলৈ বিদ্যালয়ৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াক নিৰ্দেশ দিয়া হৈছে।

অসমীয়া সংগীতৰ এটা যুগৰ স্ৰষ্টা ক্ষণজন্মা শিল্পীগৰাকীৰ মৃত্যুত দেশ-বিদেশত থকা অসংখ্য গুণমুগ্ধ শোকস্তব্ধ হৈ পৰিছে। ৰাজ্যৰ বিভিন্ন স্থানত কালি সন্ধিয়া প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই বন্তি প্ৰজ্বলন কৰা হয়। জুবিন গাৰ্গৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ৰাহুল গান্ধী, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি আন কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্য চৰকাৰৰ মন্ত্ৰী, বলিউদৰ বিশিষ্ট গায়ক, সংগীত পৰিচালক প্ৰমুখ্যে অজস্ৰ গুণমুগ্ধই গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগত কালি সন্ধিয়া শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।

উল্লেখযোগ্য যে, তিনি দশকৰো অধিক কাল অসমীয়া সংগীতজগতত অপ্ৰতিদ্বন্দ্বী হৈ ৰোৱা কণ্ঠশিল্পীগৰাকীয়ে কেৱল অসমীয়াই নহয়, বাংলা, হিন্দী আৰু আন কেইবাটাও ভাৰতীয় ভাষাত গীত গাই শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি থৈ গৈছে। অসমীয়া সংগীত জগতত বৰ্ণিল যুগৰ সূচনা কৰা জুবিন গাৰ্গৰ জন্ম হৈছিল ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত। ১৯৯২ চনত **অনামিকা** এলবামেৰে সংগীত যাত্ৰা আৰম্ভ কৰা জুবিন গাৰ্গে নৱপ্ৰজন্মক পুনৰ অসমীয়া আধুনিক গীতৰ অনুৰাগী কৰি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

*(মিউজিক ঃ মনৰ নিজানত...)*

বাংলা ছবি **শুধু তুমি**ৰ বাবে ২০০৫ চনত তেওঁ বংগীয় চলচ্চিত্ৰ সমালোচক সংস্থাই আগবঢ়োৱা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিছিল। ২০০৭ চনত হিন্দী ছবি **গেংষ্টাৰৰ য়া আলী** শীৰ্ষক গীতটোৰ বাবে তেওঁ গ্লোবেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড আৰু ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ বঁটা লাভ কৰিছিল। তদুপৰি ইংৰাজী-খাচী ছবি **ইক'জ অব ছাইলেন্স** ছবিৰ বাবে তেওঁ শ্ৰেষ্ঠ সংগীত পৰিচালক হিচাপে ৰজত কমল বঁটা লাভ কৰিছিল। গান আৰু ছবিৰ বৰ্ণময় যাত্ৰা সামৰি চিৰদিনৰ বাবে অজান দেশলৈ গুচি যোৱা প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুত আমি সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

*(মিউজিক ঃ ধুমুহাৰ স'তে মোৰ...)*

oooooooo

জনপ্ৰিয় কণ্ঠশিল্পী, বাদ্যশিল্পী, সুৰকাৰ, গীতিকাৰ, অভিনেতা, চলচিত্ৰ পৰিচালক, চিত্ৰ নাট্যকাৰ জুবিন গাৰ্গৰ কালি বিয়োগৰ বাতৰিয়ে ৰাজ্যৰ চুকে কোণে শোকৰ লহৰ তুলিছে।

যোৰহাটত শিল্পীগৰাকীৰ মৃত্যুত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জিলাখনৰ বৰুৱা চাৰিআলিৰ মিলেনিয়াম পাৰ্কত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত

শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনাৰে বন্তি প্ৰজ্বলন কৰা হয়। যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় চৌহদত শিল্পীগৰাকীৰ স্মৃতিত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত যথেষ্ট ভিৰ পৰিলক্ষিত হয়। ডিব্ৰুগড়তো জুবিন গাৰ্গৰ মৃত্যুত গুণমুগ্ধসকলে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে।

জুবিন গাৰ্গৰ মৃত্যুত শোকবিহ্বল গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী সমাজে কালি বিশ্ববিদ্যালয় চৌহদত প্ৰিয় শিল্পীগৰাকীৰ গীতেৰে তেওঁৰ প্ৰতি শ্ৰদ্ধা জনায়।

*গান ঃ* মায়াবিনী

শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ প্ৰৱেশ দ্বাৰত জুবিন গাৰ্গৰ প্ৰতিকৃতিত শিক্ষাৰ্থীসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শাৰী শাৰী বন্তি জ্বলাই গুণমুগ্ধসকলে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

কণ্ঠশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে সত্ৰপীঠ মাজুলীত শোকৰ ছাঁ পৰে। জিলাখনৰ সকলো প্ৰান্ততে স্বতঃস্ফূতভাৱে জনসাধাৰণ ওলাই আহি মৰমৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

বৰপেটাতো আদৰৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি কালি জিলাখনৰ  ভালেসংখ্যক লোকে শ্ৰদ্ধা জ্ঞাপন কৰে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ কৰাপাতৰ সন্মুখত আয়োজিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰয়াত শিল্পীগৰাকীলৈ ৰাইজৰ লগতে বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া আৰু ডেকা সত্ৰীয়ায়ো শ্ৰদ্ধা জ্ঞাপন কৰে।

কোকৰাঝাৰ জিলাত সকলো জাতি-জনগোষ্ঠীৰ লোকে মৰমৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

হোজাই জিলাৰ লংকাত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই হাতত মমবাতি জ্বলাই লৈ মৌন সমদল উলিয়ায়। লংকা মহাবিদ্যালয়ত কালি শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰি শ্ৰদ্ধা জনায়।

প্ৰিয় শিল্পীগৰাকীক হেৰুৱাই মৰ্মাহত অজস্ৰ গুণমুগ্ধই কালি শিল্পীগৰাকীৰ কাহিলিপাৰা আৰু খাৰঘূলিত অৱস্থিত বাসগৃহত ভিৰ কৰা পৰিলক্ষিত হয়। দুয়ো ঠাইতে প্ৰিয় শিল্পীগৰাকীক ৰাইজে আৱেগেৰে শ্ৰদ্ধা জনায়।

০০০০০০০০

অসমবাসীৰ হিয়াৰ আমঠু, জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৱে বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানতো প্ৰভাৱ পেলাইছে।  জুবিন গাৰ্গৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত কালি বিয়লিৰ পৰা হঠাৎ ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান স্তব্ধ হৈ পৰে। জুবিনৰ মৃত্যুৰ বাতৰি লাভ কৰাৰ পাছতে বিজেপি আৰু কংগ্ৰেছে বাকী থকা নিৰ্বাচনী প্ৰচাৰ বাতিল কৰাৰ কথা ঘোষণা কৰে।

অৱশ্যে কালি আগবেলা বিজেপি, কংগ্ৰেছ, ইউ পি পি এল আৰু বিপিএফকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই নিজৰ দলৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন স্থানত শেষ পৰ্যায়ৰ প্ৰচাৰ অভিযানত ভাগ লয়। বিজেপিৰ হৈ দলটোৰ শীৰ্ষ নেতা তথা মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই কালি কোকৰাঝাৰৰ ছালাকাটি পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী কবিতা বসুমতাৰী আৰু চিৰাং জিলাৰ সুভাইজাৰ পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী প্ৰভাত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে বাক্সা জিলাৰ মথনগুৰি আৰু শালবাৰী পৰিষদীয় সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়।

বাক্সা জিলাৰ ককলাবাৰীত কালি ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱেও দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সভাত ভাগ লয়। তেওঁ জিলাখনৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ ইউ পি পি এল দলৰ প্ৰাৰ্থী মণ্টু বড়োৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

চিৰাং জিলাৰ কাজলগাওঁ পৰিষদীয় সমষ্টিৰ হাশ্ৰাওবাৰীত তৃণমূল কংগ্ৰেছৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অকালতে মৃত্যু ঘটা জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।

oooooooo

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আমাৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংবাদদাতা কেইগৰাকীৰ লগতে বিটিচিৰ ভোটগ্ৰহণ কেন্দ্ৰ থকা বিশ্বনাথ জিলাৰ সংবাদদাতাগৰাকীয়েও অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই আলোচনাত  সাংবাদিক অৰূপ শান্দিল্যইও ষ্টুডিঅ'ৰ পৰা আমাৰ সংবাদদাতাসকলৰ সৈতে আলোচনাত ভাগ ল'ব।

oooooooo

আজি প্ৰয়াত কণ্ঠশিল্পী, সুৰকাৰ, সংগীত পৰিচালক জয়ন্ত হাজৰিকাৰ ওপজা দিন। সুললিত কণ্ঠৰে অসমীয়া সংগীত জগতলৈ অনন্য বৰঙনি আগবঢ়াই যোৱা শিল্পীগৰাকীৰ ওপজা দিনত মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জ্ঞাপন কৰে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কয়, যে সুৰ বাহিনীৰ স্ৰষ্টা, গণশিল্পী জয়ন্ত হাজৰিকাৰ যাদুকৰী কণ্ঠ আৰু সংগীত প্ৰতিটো প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব। প্ৰখ্যাত গায়ক জয়ন্ত হাজৰিকাই ১৯৪৩ চনৰ আজিৰ দিনটোতে মঙলদৈত জন্মগ্ৰহণ কৰিছিল। মাত্ৰ ৩৪ বছৰ বয়সতে ১৯৭৭ চনত মৃত্যুক আঁকোৱালি লোৱা জয়ন্ত হাজৰিকাই অসমীয়া সংগীত জগতত অন্য এটা ধাৰাৰ সৃষ্টি কৰিছিল। অসামান্য প্ৰতিভাৰ অধিকাৰী জয়ন্ত হাজৰিকাই বনৰীয়া ফুল, নিয়তি, বৃষ্টি, ধৰ্মকায়, নতুন আশা আদি বোলছবিত স্বকীয়ভাৱে সংগীত পৰিচালনা কৰিছিল।

oooooooo

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আবু ধাবিৰ শ্বেইখ জায়েদ ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ অন্তিমখন খেলত ভাৰতে ওমানক ২১ ৰানত পৰাজিত কৰে। ওমানে ১৮৯ ৰানৰ বিজয় লক্ষ্যৰে খেলা আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৬৭ ৰান কৰে। হাৰ্ডিক পাণ্ডিয়া, অৰ্শ্বদ্বীপ সিং, হৰ্ষিত ৰাণা আৰু কুলদীপ যাদৱে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৮ উইকেটৰ বিনিময়ত ১৮৮ ৰান কৰে। দলৰ হৈ সঞ্জু ছেমছনে ৫৬ আৰু অভিষেক শৰ্মাই ৩৮ ৰানৰ বৰঙণি আগবঢ়ায়। সঞ্জু ছেমছনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া ছুপাৰ-ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত শ্ৰীলংকা আৰু বাংলাদেশ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে ছুপাৰ-ফ'ৰ পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰিছে। অহা দেওবাৰে ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

অসমৰ সংগীত জগতৰ ভোটাতৰা, অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক দেহাৱসানত সমগ্ৰ ৰাজ্য শোকস্তব্ধ হৈ পৰিছে। আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাজুৰি ভিন ভিন শিৰোনামেৰে জুবিন গাৰ্গৰ মৃত্যুৰ বাতৰি প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতৰ মুখ্য বাতৰিৰ শিৰোনাম **মৃত্যু জিনি অমৰ জুবিন**।

দৈনিক অসম কাকতে সমগ্ৰ প্ৰথম পৃষ্ঠাজুৰি প্ৰাণৰ শিল্পীগৰাকীৰ এখন ফটো আৰু তেওঁৰ গীতৰ কলিৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে অসমৰ বিশিষ্ট ব্যক্তিসকলৰ শিল্পীগৰাকীৰ প্ৰতি বিশেষ শ্ৰদ্ধাৰ্ঘ্যপূৰ্ণ লেখা প্ৰকাশ কৰিছে।

হিয়াৰ আমঠু জুবিন গাৰ্গৰ নশ্বৰদেহ আজি গুৱাহাটী আহি পোৱাৰ পাছত সৰুসজাই ষ্টেডিয়ামত ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ বাবে ৰখা হ'ব বুলি কালি মুখ্যমন্ত্ৰী ড° শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰা বাতৰিটো দৈনিক জনমভূমি, দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

oooooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

ooooooo

**সমাপ্ত**